# তীৰ্থ-যাত্ৰী

অ891.441
B23তী.2

কৰ্ম্মবীৰ নবীন চন্দ্ৰ বৰদলৈ

'LEASE HANDLE THE BOOK CAREFULL'

# তীর্থ-যাত্ৰী

কবিতা

GOVERNMENT OF ASSAM
Call No. A891.441
B23Tir
DISTRICT LIBRARY.

কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈ

প্ৰকাশিকা ঃ
শ্ৰীনলিনীবালা দেৱী।

৭।।৭|5.

12291

গুৱাহাটী
১৯৫৯ চন

সৰ্ব্বস্বত্ব সংৰক্ষিত
শ্ৰীহেমন্তকুমাৰী দেৱী
শ্ৰীনলিনীবালা দেৱী

মূল্য ঃ '৬২ নয়া পইছা

PLEASE HANDLE THE BOOK CAREFULLY

# প্ৰকাশন পৰ্ষদ্

বিভিন্ন বিষয়ক আৱশ্যকীয় গ্ৰন্থ প্ৰণয়ন, সম্পাদন আৰু প্ৰকাশৰ ব্যৱস্থা কৰাৰ বাহিৰেও অসমৰ ন-পুৰণি গ্ৰন্থকাৰ সকলক গ্ৰন্থ প্ৰকাশত আৰ্থিক সাহায্য যোগোৱাৰ উদ্দেশ্যে অসম চৰকাৰে এখন প্ৰকাশন পৰ্ষদ্ (Publication Board) প্ৰতিষ্ঠা কৰে ১৯৫৮ চনৰ শেষ ভাগত, চলিত বছৰৰপৰা প্ৰকাশন পৰ্ষদৰ কাম আৰম্ভ হৈছে।

শিশু সাহিত্য, বিজ্ঞান, দৰ্শন, সাহিত্য সংস্কৃতিৰ আলোচনা আদি বিবিধ বিষয়ক গ্ৰন্থ প্ৰণয়ন, অনুবাদ আৰু সম্পাদনাৰ কাম বৰ্ত্তমান প্ৰকাশন পৰ্ষদে হাতত লৈছে। প্ৰকাশন পৰ্ষদৰ প্ৰথম প্ৰকাশৰূপে চক্ৰবৰ্ত্তী ৰাজা গোপাল আচাৰীৰ 'মহাভাৰত'ৰ অসমীয়া অনুবাদ আৰু অসম ছাত্ৰ সম্মেলনৰ প্ৰথম অধিবেশনপৰা চৈধ্যজনা সভাপতিৰ অভিভাষণ 'ভাষণ-মালা' অলপতে প্ৰকাশ হব।

ইয়াৰ বাহিৰে প্ৰকাশন পৰ্ষদে প্ৰথম পৰ্য্যায়ত বিভিন্ন বিষয়ক সৰু-বৰ একৈশখন পুথি প্ৰকাশৰ বাবে গ্ৰন্থকাৰ সকললৈ আৰ্থিক সাহায্য আগ বঢ়াইছে।

'তীৰ্থ-যাত্ৰী' প্ৰকাশন পৰ্ষদৰ আৰ্থিক সাহায্য পোৱা পুথিসমূহৰ ভিতৰৰে এখন।

গুৱাহাটী
১।১২।৫৯

শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী
সচিব, প্ৰকাশন পৰ্ষদ্, অসম
গুৱাহাটী।

GOVERNMENT OF ASSAM
Call No.........
DISTRICT LIBRARY

[illegible]

## [illegible]

[illegible]

[illegible]

[illegible]

Library books will give you joy for long
if handled carefully with clean hands

# নিবেদন

স্বৰ্গীয় কৰ্ম্মবীৰ নবীন চন্দ্ৰ বৰদলৈদেৱৰ কেইটামান কবিতা হাতে লিখা অৱস্থাতে কাকতৰ পাতত মৰহি যোৱা অৱস্থাৰপৰা গোটাই এই সৰু কবিতাৰ পুথি "তীৰ্থ-যাত্ৰী" ৰাইজৰ আগলৈ উলিয়াবলৈ যত্ন কৰিলোঁ। এই কবিতাবোৰ আলোচনীৰ পাতত মাজে সময়ে প্ৰকাশ পাইছিল। জাতীয় সঙ্গীতসমূহ কৰ্ম্মবীৰ বৰদলৈয়ে জেইল জীৱনত লিখা। ১৯২১ চনৰ জন জাগৰণৰ অৰ্থে বৰদলৈদেৱৰ ৰচিত এই সঙ্গীতসমূহ তেখেতৰ প্ৰাণৰ সঙ্গীত ৰূপে দেশ জাগৰণত বৰঙনী যোগাইছিল। এই গীতবোৰৰ লগত ৰাইজৰ পৰিচয় আগৰেপৰা আছে। কেইটা মান গীত "কৃষ্ণলীলা" নাটকৰ কাৰণে ৰচনা কৰিছিল। সেই গীতকেইটাও তীৰ্থ-যাত্ৰীত তুলি দিয়া হ'ল। শেষত চৰকাৰী প্ৰকাশন বোৰ্ডে এই পুথিখনি প্ৰকাশৰ বাবে অৰ্থ সাহায্য দিয়াত বোৰ্ডৰ ওচৰত আন্তৰিক কৃতজ্ঞতাৰে শলাগ জনাই সামৰণি মাৰিলোঁ।।

বিনীতা—
শ্ৰীনলিনীবালা দেবী
গুৱাহাটী
১৯৬০ চন

Library books will give you joy for long
if handled carefully with clean hands

# সূচীপত্ৰ

## গীতিকা ভাগ

### ॥ জাতীয় সঙ্গীত ॥


| | | | |
|---|---|---|---|
| ১। | নীল আকাশত জোনৰ দৰে | ... | ১ |
| ২। | পণ | ... | ৩ |
| ৩। | আই ঐ চেনেহী শুৱনী | ... | ৪ |
| ৪। | বন্দনা | ... | ৬ |
| ৫। | আহ্বান | ... | ৭ |
| ৬। | কোন ক'ত আছ জনমভূমিৰ | ... | ৮ |


### ॥ কৃষ্ণ লীলাৰ গীত ॥


| | | | |
|---|---|---|---|
| ৭। | হাবিৰে তলিতে | ... | ৯ |
| ৮। | যমুনাৰ বালি | ... | ৯ |
| ৯। | আহিলা যেতিয়া | ... | ১০ |
| ১০। | ৰূপালী যমুনা ঢল | ... | ১০ |
| ১১। | শোভিছে ধৰণীখনি | ... | ১১ |
| ১২। | মায়াৰে মোহিত চেতনা | ... | ১২ |
| ১৩। | প্ৰিয়তম কম কি দুখৰে কথা | ... | ১৩ |

## কবিতা ভাগ


১। ল'ৰা-ছোৱালী ... ১৫
২। চিৰ প্ৰৰস্থুৰা ... ১৬
৩। শিশুৰ প্ৰথম বেজাৰ ... ২০
৪। সিংহ আৰু নিগনি ... ২২
৫। শিশুৰ হাঁহি ... ২৫
৬। প্ৰকৃতিৰ বাগিচা ... ২৭
৭। লাহে লাহে ... ৩০
৮। ধুমুহা ... ৩২
৯। প্ৰেম পত্ৰ ... ৩৬


...



কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈ

# ॥ গীতিকা ভাগ ॥

# জাতীয় সঙ্গীত

( ১ )

নীল আকাশত জোনৰ দৰে
ভাৰতৰ পতাকা উৰ ।
প্ৰতি ঘৰে ঘৰে অতি পয়োভৰ
বিজয় নিচান উৰ ॥
কোটি সন্তানৰ প্ৰেমৰ চানেকি
তিনি বৰণীয়া উৰ ।
সহস্ৰ লাঞ্ছনা অপমান ঠেলি
বিজয় জয়ন্তী উৰ ॥
তোৰ যে তলত আজি ভাৰতত
সন্তানৰ সমাবেশ ।
কত অপমান কত অত্যাচাৰ
লাঞ্ছনাৰ নাই শেষ ॥
তথাপি ওখত মূৰ্ত্ত স্বাধীনতা
ত্ৰিৰঙ্গা লহৰি তোৰ ।
উৰাই ৰাখিছ প্ৰাণ পণ কৰি
উৰ ঐ লাহৰি উৰ ॥
শত বজ্ৰপাত মেঘৰ গাজনি
ধুমুহা বতাহ ঘোৰ ।

মূৰ পাতি লৈ উৰি উৰি থাক
মূৰ যেন নোদোঁৱে তোৰ ॥
স্বাধীন ভাৰত, স্বতন্ত্ৰ ভাৰত
বতাহত বাজে সুৰ।
ভাৰত সন্তান জীয়াই থাকোঁতে
ই সুৰ নপৰে ওৰ ॥
কুমাৰী কাশ্মীৰ সদিয়া সিন্ধু
সুদূৰ লঙ্কা পুৰ,
ডঙ্কা উঠক স্বাধীন ভাৰত
উৰ ঔ লাহৰি উৰ ॥

( ২ )

## পণ

আমাৰ বিষম পণ
পূৰ্ণ স্বাধীনতা লভিম লভিম
আগত থৈ মৰণ ॥
দুখৰ কৰুণ কথা
গাম মাতিৰিৰ অমৰ ভাৰতী
সন্তানৰ বীৰ গাঁথা ॥
ভায়ে লগাব সুৰ
ভনীসকলোৱে গাই যাব গীত
মাতৃ প্ৰেমে ভৰপূৰ ॥
যমৰ নিচিনা দূত,
টাঙোনেৰে মাৰি মূৰ ফালি দিব
দেহাত মাৰিব 'বুট' ॥
হৃদয়ৰ তেজ ব'ব
সেই তেজ ধাৰা মাতৃ চৰণত
সচন্দন ফুল হ'ব ॥
মাতৃত মাগিম বৰ
ক্ষমা দোষ আই মূৰুখ পুত্ৰৰ
মূঢ়-মতি সন্তানৰ ॥
অসীম যাতনা পাই
হাঁহি মুখে গাম মাতিৰিৰ জয়
( আই ঔ ) তোৰে মুখলৈয়ে চাই ॥

হাতত শিকলি দি,
ডাণ্ডৰ ডোলেৰে ককাল বান্ধিব
কাৰাত থবগৈ নি ॥
কাৰাৰ ৰক্ষক জনে,
দাণ্ডাবেৰি দিব নিজান ফাটেক
দণ্ড যত পাৰে মানে ॥
সকলো সহিম হেলে,
আই ঐ তোৰ মুখখনি ভাবি
"বন্দে মাতৰম্" বোলে ॥
জয় মা ভাৰতী আই,
সন্তান তোৰ প্ৰেমত বিকল
চৰণত দে ঠাই ॥
গোৱাঁ ভাৰতৰ জয়,
আকাশ পৃথিৱী বিয়পি বাজোক
জয় ভাৰতৰ জয় ॥

( ৩ )

আই ঐ চেনেহী শুৱনী আই ঐ
কেনেকৈ পূজিম তোক ।
মন্দিৰ দুৱাৰ ৰোধ কৰি আছে
সমিধান দে ঐ মোক ॥

শত সহস্ৰ নবীন পূজাৰী
দুৱাৰত আছে বৈ।
আই ঔ দুৱাৰত আছে বৈ
ভক্তি কুসুমৰে নৈবেদ্য সজাই
তৰুণ তেজেৰে কৰণি ৰঙাই
মাতৃ মন্ত্ৰ জপিছে সঘনে
পূজা মতলীয়া হৈ।
আই ঔ পূজা মতলীয়া হৈ ॥
পাৰ হৈ যায় আৰতিৰ বেলি
হিয়াত ৰুধিৰ উঠিছে উথলি
অধীৰ সন্তানে আই আই বুলি
মাতিছে বিকল হৈ।
আই ঔ মাতিছে বিকল হৈ ॥
আই ঔ ভাৰতী তোৰ যে গগণ
তোৰ যে পৱন নদ-নদী-বন
কোটি সন্তানৰ মাতৃ সম্বোধন
খলকি উঠিছে গৈ।
আই ঔ খলকি উঠিছে গৈ ॥
শোক যুগ আজি পাৰ হৈ যায়
দুৱাৰ মোকলা ৰাণী মোৰ আই
কোটি সন্তানৰ ৰক্ত অৰ্ঘ্যেৰে
চৰণ পূজিব ঐ।
আই ঔ চৰণ পূজিব ঐ ॥

# বন্দনা

নমো নমো নমো সাধনা দীপ্ত
বীৰ কৰ্ম্মীৰ দল।
নমো নমো যাৰ চৰণ পৰশে
পূত ধৰণী তল ॥
অত্যাচাৰ অসীম দহন
অকথ্য অপমান।
ক্ষুদ্ৰ মানৱৰ অসীম তাড়না
তুচ্ছ কৰিলা জ্ঞান।
হাতত নিগড়, ভৰিত শিকলি
কত বিনিদ্ৰ ৰাতি,
কাৰা ৰক্ষীৰ কতনো প্ৰহাৰ
ল'লা বীৰ মূৰ পাতি ॥
মাতৃৰ ভকত মাতৃৰ চকুলো
ভাতৃৰ অনাহাৰ
দেখি তুলি ল'লা অহিংসা ব্ৰত
স্বাধীনতা সাধনাৰ ॥
পয়ত্ৰিশ কৌটি ভাই-ভনীটিয়ে
গাই ভাৰতৰ জয়।
সাগৰ খলকে পৃথিৱী চমকে
গোৰাঁ মাতিৱিৰ জয় ॥

# আহ্বান

ডেকা-গাভৰুৰ দল
বীৰ বীৰঙ্গনা দল
নতুন তেজেৰে ৰাঙলী ৰূপহী
কৰহি ধৰণী তল ॥

খোজৰ ভৰত কঁপোক ধৰণী
তৰুণ চকুত জলোক অগনি
শত সহস্ৰ মৃত্যু নেওচি
বল আগুৱাই ব'ল ।

যুগ-যুগান্ত পাৰ হৈ গ'ল
মাতৃ অনাথা তোৰ
পৰ-পদাঘাত কতনো সহিবি
নপৰিল তাৰ ওৰ ॥
বুকুত বাজোক বীণ অগনিৰ
ৰুদ্ধ হিয়াৰ তপত ৰুধিৰ
বৈ যাওক আজি অৰুণ বোলেৰে
বোলাই ধৰণী তল ॥

আকাশ মৰ্ত্ত্য দিগ-দিগন্ত
মাতৃ মন্ত্ৰে কৰি মুখৰিত
মাতৃৰ পাশ ছিন্ন কৰহি
তীৰ্থ যাত্ৰীৰ দল।

---

(৬)

## ভিক্ষা

কোন কত আছ জনমভূমিৰ
ভকত সন্তান
আজি আইৰ পূজা হ'ব
আহ লৈ আহ
কোনে কি কৰিবি দান
যাৰ আছে সোণ, যাৰ আছে ৰূপ
আঁজলি ভৰাই আন
যাৰ একো নাই দিয়ক মাথোন
ব্যথিত হৃদয় দান।

---

# কৃষ্ণ লীলাৰ গীত

( ১ )

হাবিৰে তলিতে ফুলিলে ফুলে ঐ
থাকে সুৰুষলৈ চাই
নিজৰে মনতে নিজে ৰঙে চৰাই
হিয়া ভৰি ভালে পায়
পছিমৰ মেঘতে বেলি বুৰে গ'লে
ফুলকে মাতোতা নাই
সুৰুষৰ ছবিটি হিয়াতে সাৱটি।
আপোন পাহৰি যায়।

( ২ )

যমুনাৰে বালি জোনাকত ৰূপালী
তাতে কেতেকীয়ে মাতে
বান্ধৱ ন'হলে জীৱ বাজে হব
অগনি জ্বলিব গাতে
ইকুলে সিকুলে সকলো শুদা ঐ
স্বৰগো নৰকো শূইন
বান্ধৱ পাৱতে দেহা মই সঁপিলো
তাতে হৈয়ে যামে লীন

( ৩ )

আহিলা যেতিয়া মোহন আলহী
মধুৰ মাধুৰী বিলাই
সুৰলা মাতেৰে মাতি
সুখৰ সপোন পাতি
প্ৰেম জুই প্ৰাণত জ্বলাই
হিয়া ভৰা ভাল পোৱা
লোৱা উপহাৰ লোৱা
চেনেহ চানেকি লোৱা ফুল
জীৱনৰ যত আশা
প্ৰণয়ৰ প্ৰিয় ভাষা
সঁপিলো তোমাৰ পদমূল ।

( ৪ )

ৰূপালী যমুনা ঢল জোনাকত জলমল
বৈ যায় সুবিমল ৰূপালী ৰহনে হাঁহি
পিউ পিউ পাপিয়াৰ কুঁহু কুঁহু কোকিলৰ
কেতেকীৰ সুধাধাৰ বতাহত আহে ভাঁহি
মধুময় বসন্তৰ সুখ শোভা মনোহৰ
প্ৰেমে প্ৰাণ জৰজৰ আহাঁ প্ৰিয় ৰসময়
তোমাৰ পৰশ লাগি জীৱন উঠিছে জাগি
প্ৰভু লোৱাঁ উপহাৰ জীৱনৰ সুধাধাৰ ।

( ৫ )

শোভিছে ধৰণীখনি হাঁহিৰ ৰহন সানি
মধুৰ মাধুৰী বিলাই
কেতেকী কুলিয়ে কেনে সুকোমল সুৰ ধৰি
আৰতি আদৰণি গায়।
কেনে নীলা সৰগৰ কিবা আভা মনোহৰ
কেনে নীলা সুবিমল যমুনাৰ কলেৱৰ
মোহিনী টগৰ যুতি মালতী কেতেকী ফুটি
দশোদিশ গোন্ধত আকুল।
বই যায় মৰতত চেঁচা বাও মলয়াৰ
থৈ যায় হৃদয়ত সুখ স্মৃতি সুধাভাৰ
হিয়াৰ গোপন ভাষা, যত সুখ যত আশা
তোমাতে কৰিলো সমৰ্পণ
জনমে জনমে ধৰি হিয়াৰ সঁফুৰা ভৰি
তোমালৈ সাঁচিলো মৰম।

---

( ৬ )

মায়াৰে মোহিত চেতনা জীৱ যাতনা
কত ভুগিছা হে
সেই শান্ত সৌম্য সুন্দৰ বিভু কিয় নভজা
মিছাতে জনম নিয়ালা
দুদিনীয়া দেহা সামাজিক যেন
চাওঁতে চাওঁতে ঢুকাব
ধুনীয়া শৰীৰ ৰূপৰ মাধুৰী
ছয়ামময়া কৈ লুকাব
কৰ জীৱ তুমি কিয় আহিছিলা
কোনে থ'লে ভাবি চোৱাঁহে
মায়াৰ বান্ধোন সোলোকাই থৈ
হৰি নাম গোঁৱা মুখেৰে।
মনৰ এন্ধাৰ পোহৰাই লৈ
থাকা জীৱ থাকা সুখেৰে
তেন্তে তত্বজ্ঞান পাবা হিয়াত
তৰিবা সংসাৰ অচিৰে।

———

( ৭ )

প্ৰিয়তম কম কি দুখৰে কথা
বিৰহ-বেদনা অসীম যাতনা
অসীম মৰম বেথা।
প্ৰাণ মন সঁপি দিলো
কান্দি ৰাতি-দিন
হ'ল জ্যোতিহীন
চকুৰে নেদেখা হলোঁ।
প্ৰিয়তম কিনো নিদাৰুণ হ'লা।
বাট চাই চাই
দিন কাটি যায়
কেনেকৈ আঁতৰি ৰ'লা

প্ৰিয় কানু! আমি যে নিছলা অতি
নেজানো ভকতি আমি শিশুমতি
তুমি জগতৰ পতি
প্ৰিয় বান্ধৱ। ক্ষুদ্ৰ আমাৰ প্ৰাণ
তযু চৰণত স'পি দিলো সখা
লোৱাঁ প্ৰভু লোৱাঁ দান।

——

# ॥ কবিতা ভাগ ॥

# ল'ৰা-ছোৱালী

গৃহস্থৰ ঘৰ শুৱা কিবা আছে এনেকুৱা
শিশু হেন অতি সুশোভন,
শিশুৰ আনন্দময় সৰল হাঁহিত হয়
অমৃতৰ ধাৰা বৰিষণ।
অজলা চকুৰে চায় নির্দ্দোষ কতকি গায়
কত হাঁহে কত নাচি ফুৰে
বনৰ হৰিণা যেনে উমলি-জামলি তেনে
দর্শকৰ মন মুগ্ধ কৰে।
নীলা আকাশৰ তল শোভাময় জলস্থল
ফুলে ফলে কৰি শোভাময়।
পৰিবাৰ ফুলবাৰী ৰাখিছে শুৱনী কৰি
শিশুমুখ হাঁহিৰে সদায়।
যেনে দৰে গছপুলি সময়ত উঠে ফুলি
পালে সাৰ যত্ন মনোযোগ।
ল'ৰা সময়ত তেনে উচিত যতন পালে
হয় ল'ৰা জ্ঞানবান লোক।
বাগিচাত এটি ফুল বাগিচা আমোল মোল
ঘৰত একোটি গুণবাণ,
একেটিৰ যশে হয় সমস্তে জগৎময়
সুপৱিত্ৰ জনমৰ থান।

# চিৰ প্ৰৰস্বৰা

আহিলা সূৰুষ দেৱ ভ্ৰমি ভূমণ্ডল
বহুদূৰ নাই আৰু পাবা অস্তাচল
তোমাৰ লগতে হায়
ধৰাৰ পোহৰ যায়
মনৰ পোহৰো মোৰ সবে মাৰ যায়,
নেজানো কি দৰে মোৰ ৰাতিটো পুৱায়
পুৱা বেলি আকাশত সহস্ৰ কিৰণ
উদি তুমি আলোময় কৰা ই ভুৱন
বগা মেঘ ডুখৰিত হৈ ৰশ্মি নিপতিত
কি মোহন সোণোৱালী ৰূপ সুশোভন
দেখুৱাই মোহি যায় মোৰ ই নয়ন।
পূবফালে এইদৰে মোৰ স্বদেশত
সদাই উদিত তুমি হোৱাঁ প্ৰাতসত
নিৰ্ম্মল নদীৰ সোঁত, বই যায় অবিৰত
পৰি সি সোঁতত ৰশ্মি কৰে তিৰ্ বিৰ্
ভাঙি যেন গঢ়ি উঠে সোণৰ মন্দিৰ।
শীতল মৃদুল বাও একোছাটি বৈ
কি চঞ্চল কৰি যায় নদীৰ হৃদয়
ৰিপ্ ৰিপ্ লহৰীত
চকমকি বিপৰীত
চকমক্ কৰি যেন সোণালী বিজুলি
চমকাই আকৌ উঠে ঢৌটি উজলি

তোমাৰ উদয় ছাগে নৌ হওঁতেই
নানান পখীয়ে গীত নৌ গাওঁতেই
ঘৰুৱাৰ ঘৰে-ঘৰে
বোৱাৰী-জীয়াৰীবোৰে
কৰিছিল সমাপন ঘৰুৱা যি বন
পানী অনা, ঘৰ মচা, গুৰুৰ সেৱন।

দেখিতো আহিছোঁ দেৱ মোৰ জন্মঠাই
এই কিৰণকো তাতে আহিছা বিলাই
লাগে সি দেশৰ মাজ
পুৱা দুপৰীয়া সাঁজ
এইদৰে সি দেশতো শেষে অস্ত যোৱা
সে দেশত কি দেখিলা কোৱাঁ মোক কোৱাঁ।।
দেখিলানে সি দেশত নৈৰ দাঁতিত
মোৰ নিজ পঁজা ঘৰ গছেৰে বেষ্টিত
আগত ফুলৰ বাৰী
ফুল গছ শাৰী শাৰী
গোলাপ, টগৰ, জুঁই, মালতী, শেৱালী
এজুৰি উমলি থকা ল'ৰা-ছোৱালী।

দেখিলানে সি ঘৰত বৃদ্ধ একজন
বিষাদেৰে পূৰ্ণ মুখ চিন্তাত মগন
আৰ্ত্তভাৱে নাৰায়ণে
সুমৰিছে ঘনে ঘনে

ক্ৰীড়াশীল শিশু মুখ চাই বাৰে বাৰে
পৰম ব্যথিত হৈ হুমুনিয়া ছাৰে।

পৰম করুণাময়ী শোকৰ প্ৰতিমা
জগতৰ সতী তীর্থ মূৰ্ত্তিমতি ক্ষমা
দেখিলানে মাতৃ মোৰ
অন্ত নাই চকুলোৰ
অবিৰল বৈ আছে প্ৰেমৰ নিজৰা
এটুপিয়ে যাৰ কৰে সুপৱিত্ৰ ধৰা।

দেখিলানে গৃহলক্ষ্মী প্ৰণয়িনী মোৰ
নিৰাশ অৱশ হিয়া শোক-দুখে ঘোৰ
জাহ্নৱী, যমুনা প্ৰায়
দুধাৰি চকুলো বয়
ধৈর্য্য ধৰি নিজ কাজ কৰে ৰাতি দিন
সুঁৱৰি ই অভাগাক সুখ শান্তিহীন।

চকুৰে নমনি সীমা অপাৰ সাগৰ
মিলিছে কোনোবা থলে লগত স্বৰ্গৰ
সেই জোৰা ভেদ কৰি
পখী এটি আহে উৰি
পুৱা বেলি আকাশৰ গাত মিলখাই
অনিমেষ নেত্ৰে তাকে থাকোঁ চাই চাই।

বছৰৰ পাছে যায় বছৰ বাগৰি
তাৰ লগে কত ঘূৰে ঘটনা চকৰি
দিন গৈ ৰাতি হ'ল
জাৰ আহে জহ গ'ল
সুখ-দুখে দেখা দি হাঁয় সকলোকে
মাথোন নিদিলে সুখে দেখা মাত্ৰ মোকে।

কলৈ যোৱা দিনমনি ক্ষন্তেক জিৰোৱা
এটি সমিধান মোক দি থৈ যোৱা
তোমাৰ লগতে হায়
ধৰায় পোহৰ যায়
মনৰ পোহৰো মোৰ লগতে লুকায়
নেজানো কি দৰে মোৰ ৰাতিটো পুৱায়।

———

## শিশুৰ প্ৰথম বেজাৰ

[ Child's First Grief কবিতাৰ ভাঙনি ]

ওলোটাই আনা ভাইটিক মোৰ
ধেমালিৰ বেলি হ'ল
বসন্ত আহিছে ফুল-ফলে ভৰা
ভাইটি কেনিবা গ'ল ।

পাখিলাটি উৰে জিলিকায় পাখি
সুৰুযৰ কিৰণত
নেলাগে নধৰোঁ খেদি খেদি তাক
ভাইটিনো আছে ক'ত ?

কত যতনেৰে ৰুলোঁ। তুয়ো ফুল
সিয়ো বনৰীয়া হ'ল
গুটিৰ ভৰত ওলমিছে দ্ৰাক্ষা
ভাইটিনো ক'ত ৰ'ল ?

কেলেই মাতিছা ৰূপহী সোণাই
আহিব নোৱাৰে তেওঁ
যেয়ে য'তে যায় সেই থলৈলৈ
ফিৰি নাহে কেতিয়াও ।

হাঁহো হাঁহো কৰা শুৱনী সি মুখ
মৃত্যুৱে কৰিলে আঁৰ

এই জীৱনত আৰু কেতিয়াও
দেখা যে নাপাবা তাৰ।
বৰ কুমলীয়া ধুনীয়া উজ্জ্বল
গোলাপ এপাহি যেনে
ঈশ্বৰে তেওঁক বৰ মোহ লগা
কৰি স্ৰজিছিল তেনে।
নাহিব নাহিব তোমাৰ লগত
উমলি ফুৰিবলৈ
যোৱাঁ যোৱাঁ হেৰা অজলা বোপাটি
অকলে ওমলা গৈ।
কিবা কোৱাঁ তুমি এৰিলেনে তেওঁ
ফুল পখি মৰমৰ,
এৰিলেনে তেওঁ চিৰকাললৈ
এই শোভা বসন্তৰ।
অকলে ফুৰিম অকলে খেলিম
কোন আৰু লগ মোৰ,
নিজৰা কাষত হাবিৰ মাজত
ফুৰা চকা হ'ল ওৰ।
হাঁয় ভাই তেনে জীৱন কালত
লগত থাকোঁতে তই
মৰম চেনেহ হেঁপাহ গুচাই
কিয়নো নিদিলো মই!

---

# সিংহ আৰু নিগনি

জহকালি দুপৰীয়া নিতাল জগত
স্নিগ্ধ সুশীতল হাবিয়নি
নিবল গছৰ ছাঁত শুই পশুৰাজ
অকাতৰে লইছে জিৰণি ।
এনে সময়ত এটি নিছলা নিগনি
আহাৰ বিচাৰি ফুৰি ফুৰি
অকস্মাত উপস্থিত হ'ল সি থলত
শব্দ হ'ল স্বুৰ স্বুৰ কৰি ।
শবদত সাৰ পাই উঠিল কেশৰী
নিগনিক ধৰিলে থাপত
কাবৌ-কোকালি কৰি মাগে প্ৰাণ দান
নিগনিটি ভয়তে বিতত ।
নেজানো মৃগেন্দ্ৰ তুমি শুই আছা বুলি
সি কাৰণে আহিলোঁ পামৰ
হাত যুৰি মাগো প্ৰভু দিয়া প্ৰাণ দান
এইবাৰ এই অধমৰ ।
ক্ষুদ্ৰ প্ৰাণী অতি মই তথাপিও কওঁ
কৰি আজি ডাঠ অঙ্গীকাৰ
চিন্তিম তোমাৰ হিত সাধ্যমতে সদা
কৰিম তোমাৰ উপকাৰ ।
কথা শুনি দয়া কৰি হাঁহি ঘৃণা হাঁহি
মাতিলে সিংহই গহীনাই

যা পামৰ দিলোঁ আজি তোক প্ৰাণ দান
ক্ষুদ্ৰ তোক বধি ফল নাই।
নেলাগে সাধিব তই মোৰ একো হিত
জানো মই তোৰ বুদ্ধি বল
ঘৃণনীয় জীৱ তই থাক প্ৰাণ লই
ভয়ে-দুখে সদায় বিকল।
এৰা মাত্ৰ ল'ৰি গৈ সোমাল গাঁতত
নিগনি ভয়তে মৰা প্ৰায়
ধন্যবাদ ঈশ্বৰক দিলে লক্ষ বাৰ
মৰা প্ৰাণ আহিল ঘুনাই।
ডাঙৰে পাহৰে কথা অলপ কালতে
সৰুয়েহে কৃতজ্ঞ সদায়
পাহৰিলে ই ঘটনা সিংহে ততালিকে
নিগনিয়ে সোঁৱৰে সদায়।
ক্ৰমে ক্ৰমে বহুদিন অতীত হ'লত
এদিন দৈৱৰ ঘটনাত
ব্যাধৰ জালত পৰি সিংহ খালে বান্ধ
নাপাই বিচাৰি কোনো বাট।
বান্ধ খালে চাৰি ভৰি বান্ধ খালে মূৰ
লৰচৰ নোৱাৰে কৰিব
জালৰ চেপাত পৰি সিংহ নিৰুপায়
শেষত ধৰিলে চিঞৰিব।

গাঁতৰ মাজৰপৰা নিগনিয়ে শুনি
সিংহৰ ভীষণ আৰ্ত্তনাদ
ভাবিলে মনত কোনো বিপদ মুখত
নিশ্চয় পৰিছে পশুৰাজ।
লাহে লাহে সাৱধানে চাপিল কাষৰ
দেখিলেহি সিংহৰ দুৰ্গতি
উঠি সি ডোলৰ জাল লৰালৰিকৈ
পেলালে সকলো বান্ধ কুটি।
বান্ধৰ মুকলি হৈ সিংহে প্ৰশংসিলে
পূৰ্ব্ব কথা সুঁৱৰি মনত
পূৰ্ব্বৰ দুৰ্ব্বাক্য হেতু ক্ষমা ভিক্ষা কৰি
দুয়ো সখি হ'ল সিথলত।
অতএব কোনো কালে কাকো কেতিয়াও
নিঘিণাবা নিঃকিন বুলি
ডাঙৰেও প্ৰাণ পায় নীচ সহায়ত
নিৰুপায় যেতিয়া সমূলি।

———

# শিশুৰ হাঁহি

কত পালি তই ৰূপহী মইনা,
এনে সুকোমল হাঁহি
ৰিব্‌ৰিব্ কৰি বকি বকি থাকি
হাঁহি পেলা মন মুহি।
তোৰ সি হাঁহিত ফুটি উঠে ফুল
স্বৰগৰ জোন তৰা
তোৰ সি হাঁহিৰ জেউতীক লৈ
থৰা জেউতিৰে ভৰা।
তোৰ সি হাঁহিৰ সুৰভি সঞ্চাৰে
জগত আমোল-মোল
মৰতত কিবা আছে যিবা হয়
তোৰ সি হাঁহিৰ তুল।
ঘোৰ নিঠুৰৰ মোহিনী ঔষধ
তোৰ আধা ফুটা মাত
ঘোৰ সন্তাপতো তোৰ সেই মাতে
কৰি যায় হিয়া শাত।
আ দোনাবাই আ দোনাবাই
হাঁহিৰ লহৰি তাত।
সেই হে জোনৰে তয়ো একনিকা
শুনি হাঁহে তোৰ মাত॥

যি ঘৰত তই নিদিয়হি দেখা
সি ঘৰ এন্ধাৰময়।
ৰজাৰ প্ৰাসাদো তোৰ অবিহনে
মৰিশালী যেন হয়॥
ঘৰ শুৱনীয়া হিয়া জুৰণিয়া
আলসুৱা ফুলকলি
তোৰ চেনেহত বিশ্ব প্ৰেমময়
তয়ে 'প্ৰেমৰ পুতলি'॥

# প্ৰকৃতিৰ বাগিচা

কুমলীয়া ৰন পাত শ্যাম বৰণীয়া
গজি আহে জুৰি হাবিয়নী।
কোনো কালে মানুহৰ নাপায় যতন
তথাপিও কেনেনো শুৱনী
মানুহৰ যতনৰ যত ফুলবাৰী
কত ফুল ফুলি থাকে তাত।
তৰহে তৰহে ৰুৱে শাৰী শাৰীকৈ
নানা বৰণৰ ফুল পাত
ক্ষুদ্ৰ অতি মানুহৰ অলপ বুধিৰে
যত পাৰে ধুনকে লগায়।
কিন্তু হায় ক'ত সেই মোহন জেউতি
বননিত যিটি দেখা যায়॥
সুদূৰ পৰ্ব্বত শ্ৰেণী আছে থিয় হৈ
আয়ু লৈ লক্ষ বছৰৰ
ফলে ফুলে সুশোভিত তৰুলতা মুকুলৰ
বিৰিখেৰে ভৰা কলেৱৰ।
ওপৰ টিঙৰপৰা থাক পাতি পাতি
গছ শ্ৰেণী আছে তললৈ
যেন কোনো সুনিপুণ বিশ্ব কৰমীয়ে
ৰুই দিছে সৰু-বৰকৈ।
ভৈয়ামৰ দাঁতিলৈ কাষৰৰ হাবিয়নী
লাহে লাহে আহিছে ঘনাই

কতোবা নিবিড় ঘন সৰু সৰু বন
নিলগত দেখি ভুঁই প্ৰায় ।
সুন্দৰ দলিচা যেন থৈ দিছে পাৰি
শুৱনী প্ৰকৃতি শুৱলৈ
শান্তিৰ আবাস ভূমি হিয়া জুৰনিয়া
পাই দুখ অশান্তি বিলই ।
হৰিণা-হৰিণী জুঁৰ থাকে সুখে তাত
নাই মানুহৰ কোলাহল ।
মনোহৰ ঘাঁহ-পাত মন সুখে খায়
নাই চিন্তা সুখত বিভোল ।
নাই হিংসা দ্বেষ আৰু নাই কপটতা
দুষ্ট মানুহৰ কু-মন্ত্ৰণা
সৰল জীৱন তাৰ দিন বই যায়
প্ৰকৃতিৰ পোহনীয়া পোনা
কতোবা গহীন হাবি ঘোৰ ঘন বন
কঠোৰ স্বভাৱ অতি তাৰ
নানা জন্তু পৰিপূৰ্ণ হিংসুক ভীষণ
হাতী, মহ, বাঘ, বৰা, গড় ॥
কতোবা পুখুৰী আছে স্বচ্ছ পানী তাৰ
পক্ষী-মাছ কত বৰণীয়া ।
সুৱলা চাৰিওকালে প্ৰকৃতিৰ ক্ৰিয়া
গছে, ঘাহে, শ্যাম জেউতিয়া ।

কতোবা বইছে নই কুল কুল কুল
নিজৰণী বাগিচা শুৱাই
পাৰে পাৰে মানুহৰ সুন্দৰ নগৰ
বয় নৈ সম্পদ বিলাই,
মৰতীয়া চকু মোৰ চৰ্ম্ম আবৰণ
কি বুজিম কি সৌন্দৰ্য্য তাৰ
বিশ্ব জুৰি লীলা ভূমি অনন্ত যুগীয়া
জ্যোতিৰ্ম্ময় বিশ্ব বিধাতাৰ ॥
ৰ'দত তপত খোলা দগ্ধ ধৰণীত
শোভে কিবা ৰূপহী জোনাই
কেনেনো কোমল প্ৰভা লাখে লাখে তৰা
হাঁহি হাঁহি মিটি মিটি চায়।
হে ঈশ্বৰ, ধন্য শক্তি অসীম তোমাৰ
ধন্য প্ৰভু তোমাৰ সি প্ৰেম
তোমাৰ প্ৰেমৰ চিন অনন্ত জগত
প্ৰেমময় তোমাৰে সম্পদ।

# লাহে লাহে

এখোজ এখোজ কৰি খোজ বহুৱাই
পোৱাগৈ টিং পৰ্ব্বতৰ
এভৰি এভৰি কৰি আগ বাঢ়ি বাঢ়ি
পোৱাগৈ দেশ দেশান্তৰ।

এডাল এডাল কৰি সূতা বৈ বৈ
বোৱা হয় দীঘল কাপোৰ
এটোপ এটোপ কৰি পানী গোট খাই
হয় শেষে গভীৰ সাগৰ।

একোটা একোটা কৰি আখৰ জোটাই
লেখা হয় বহু পুথি-পাঁজি
এডোপ এডোপ কৰি বাঢ়ি গৈ গৈ
দেখা পোৱা বৰগছ জুপি
এটি দুটি কৰি কথা ফুটি ফুটি আগে
আজি দেখা ক'ত সুপণ্ডিত
এষাৰ দুষাৰ কৈ বক্তৃতাৰ সোঁত
নৈ যেন হয় প্ৰৱাহিত।

আগত বহুত বাট শিক্ষাও অসীম
তাৰ বাবে ভয় পৰিহৰি
এষাৰ-দুষাৰকৈ পঢ়ি পঢ়ি যোৱা
আন ভাৱ সকলো পাহৰি
লাহে-লাহে আগবাঢ়া কৰি মন ডাঠ
আধাৰুৱা এষাৰো নেৰিবা
তোমাৰ অধীন আজি বহু পুথি-পাঁজি
সময়ত আপুনি দেখিবা।

# ধুমুহা

নিজম আকাশ নিজম জগত
ধুঁৱলি কুঁৱলী ধৰা
মাজে মাজে আহে চেঁচা বা এছাটি
উটি ক'ৰবাৰ পৰা,
পশ্চিমৰ ফালে ঘোৰ নীলিমাত
সোণালী বিজুলি নাচে।
চক্ মক্ কৰি হাঁহি লৰ মাৰে
এই নাই এই আছে ॥
বৰ বৰ গছ নিঠৰ নীৰৱ
ভয়ত নিতাল প্ৰায়,
পক্ষী উৰি উৰি মুকলিৰপৰা
বৰগছলৈ যায়।
বাটৰুৱা গৈ গৃহস্থ ঘৰত
পলাই আশ্ৰয় লয়,
গৰু ঘোঁৰা যায় নিজ ঘৰলৈ
সংসাৰ বিয়পি ভয় ॥
দেখোঁতে দেখোঁতে প্ৰৱল বতাহ
চেচা ছাটি বয় ঘনে,
দূৰ ক'ৰবাত কিহবাই মাতে
শুনে সবে ভীত মনে ॥
দেখোঁতে দেখোঁতে শুনোতে শুনোতে
শবদ ওচৰ চাপে।

৭।।৫।৫ 122291

লগে লগে পানী টুপ্ টাপ্ কৈ
পৰে বৰ বৰ টোপে ॥
দেখোঁতে দেখোঁতে হুৰ্ হুৰ্ হুৰ্
বতাহে পেলালে আগ
দীঘল ধৰীয়া লেঠাৰি নিছিগা
বৰষুণে ল'লে লাগ ॥
দেখোঁতে দেখোঁতে ঠন ঠন ঠন
কপহুৱা শিল পৰে
ক'ত বেৰ ফুটে ক'ত গছে গছে
কেচা পকা গুটি সৰে ॥
ঘৰ মেট্ মেট্ বেৰ চট্ চট্
ওপৰে হো হো হো মাত।
বতাহত নুই হালি পৰে গছ
ছিগি যায় ডাল পাত ॥
গছ বতাহৰ হয় মহাত্ৰাস
দেখোঁতে লাগিছে ভয়।
কোনো কোনো গছ থিয়দি থাকিল
কোনোবা পৰিল জঁয় ॥
বৰ বৰ গছ ভাগি ছিগি গ'ল
কত চৰাই বাহ লৈ।
কত কত ঘৰ বেৰ চাল নাই
ৰ'ল লঠা মুঠা হৈ ॥

ওপৰত ঘন মেঘৰ গাজন
সঘনে বিজুলী খেলে।
কড় কড় কড় বৰগম মাত
যেন বা প্ৰলয় মিলে॥
পৰ্ব্বতৰ দৰে বৰ ওখ ওখ
টিং বগা বগা হৈ
ঢৌউৰ কোবত দল দোপ্ দোপ্
খলকি উঠিছে নই।
নাৱৰ মাজত বহি নাৱৰীয়া
হৰিক চিন্তিছে ঘনে
পানী সিচি সিচি তৎ বুদ্ধি নাই
মহা ভয় মনে মনে।
দেখোঁতে দেখোঁতে কমিল শবদ
বতাহ বৰষুণৰ।
শিল বৰষুণ মেঘৰ গাজন
ক্ৰমাত পৰিল ওৰ॥
অলপ আগতে এৰূপ আছিল
এতিয়া এৰূপ লৈ।
নতুন ৰঙেৰে ওলাল পৃথিৱী
আকৌ শোভিতা হৈ॥

সেউজীয়া পাত আৰু সেউজীয়া
নদীত আহিল বান।
ভূঁইৰ মাজত হালি জালি ৰ'ল
শ্যামল শোভন ধান॥
ভিজা গছ পাত বোকা আলিবাট,
ধৰাৰ কোমল ভাৱ।
নাই সৰগৰ মাত ভয়ঙ্কৰ
প্ৰকাশে জুৰ স্বভাৱ॥
প্ৰথমে গৰ্জ্জন পাছত বৰ্ষণ
খণ্ডৰ পাছত জুৰ।
বৈ আছে এনে স্বভাৱৰ গুণে
সুন্দৰ জগত পুৰ॥

## —প্ৰেম পত্ৰ—

[ বহু শতাব্দীৰ পূৰ্ব্বে ফৰাচী দেশৰ এজন ডাঙৰ মানুহৰ ছোৱালী এজনীৰ তেওঁৰ শিক্ষকৰ লগত গুপ্ত প্ৰণয় হয়। শিক্ষকজন অলপ তল শ্ৰেণীৰ মানুহ আছিল। এই কথা ব্যক্ত হ'লত ডাঙৰীয়াজনে আত্ম গৌৰৱত বৰ আঘাত পাই ছোৱালীজনীক এটা 'কনভেণ্টত' ( Convent ) বন্দী কৰি থ'লে আৰু শিক্ষকজনক মানুহ লগাই অস্ত্ৰাঘাত কৰাই বহুত অপমান কৰালে। ছোৱালীজনীয়ে আৰু এই জীৱনত বিয়া নকৰালে। বহুত দিন এইদৰে থকাৰ পাছত দুয়োৰে এবাৰ চিঠি পত্ৰ লিখা-লিখি হৈছিল। এই বিষয়ে ফৰাচী ভাষাত এটা বৰ সুন্দৰ কৱিতা আছে। লিখকে সেই গল্পটি লৈ স্বাধীনভাৱেৰে এই কৱিতাটি লিখিছে। —প্ৰকাশিকা ]

প্ৰিয়তমে ! কি বুলিনো সম্বোধন কৰিম তোমাক
কিবা ভাষা কৰিম আশ্ৰয়
মৰতীয়া ভাষা এনে কিবা আছে দেবী
যাৰে মোৰ ভাৱ ব্যক্ত হয়,
মনুষ্য ভাষাৰে ভাৱ নোৱাৰোঁ বৰ্ণাব
দেৱ ভাষা নাজানো যে তাক,
দেৱকন্যা শাপভ্ৰষ্টা নাৰী ৰূপা তুমি
কিবা কথা জনাম তোমাক,

যিদিনা প্ৰথমে তুমি ছাত্ৰীৰূপে মোৰ
সোমালাহি শিক্ষাৰ আলয়,
মনত আছেনে দেবী, আজি সেই কথা
নাছিল ভাবৰ বিনিময়।

(তুমি) স্বভাৱ চপলা ক্ষুদ্ৰ দেৱবালা যেন
হাঁহি মাতি নাচি ফুৰিছিলা
(মই) আদহীয়া গুৰুদেৱ অতি যতনেৰে
শিকালো জ্ঞানৰ কত ফলা।
অলপ দিনতে পাছে দেখিলোঁ তোমাৰ
কি সৌন্দৰ্য্য নৱ জগতত,
অপূৰ্ব্ব অমূল্য জ্যোতি স্নেহৰ ভঁৰাল
জিলিকিছে তোমাৰ দেহত।

লাহে লাহে মুগ্ধ হিয়া মন্ত্ৰ মুগ্ধ যেন
আকৰ্ষিত হ'ল তোমালই
কত যত্ন, কত শ্ৰম, কৰিলোঁ কতনা
নোৱাৰিলোঁ ঘূৰাবযে মই!
নজনা নুশুনা এটি আনন্দৰ ঢৌৱে
হিয়া মোৰ দিলে ওপচাই।
জগত সংসাৰ জুৰি দেখিলো সুন্দৰ
এনে সুখ আৰু ক'তো নাই।

মনে মনে চাই চাই ক'ত সুখ পাওঁ
নিদিলো তোমাক জানিবলৈ,
অন্তৰত গঢ়ি লৈ সোণৰ প্ৰতিমা
পুজিছিলো সুখে মত্ত হৈ
আসক্তি বিহীন মোৰ পৱিত্ৰ প্ৰেমৰ
নাছিল যে প্ৰতিদান আশ
তোমাৰ হাঁহিত মোৰ প্ৰাণৰ পিয়াহ
গুচিছিল, নাছিল হেঁপাহ।

ৰাতিপুৱা পখীবোৰে সুমধুৰ গায়
তাতে শুনো তোমাৰ মাতটি,
ফুলনিত ফুলি থাকে লাহৰী গোলাপ
তাতে দেখোঁ তোমাৰ ৰূপটি।

পৰ্ব্বতৰ জুৰি এটি কুল্ কুল্ কই
কই যায় তোমাৰ কথাটি
নীলিমাত সুশীতল ৰূপহী জোনায়ে
পৰকাশে তোমাৰ আভাটি।
শুকান হৃদয় মোৰ মৰুভূমি যেন
তোমাৰ ছাঞাটি পৰি তাত,
স্বৰ্গীয় নন্দন বন কৰিলে সৃজন
দেৱবালা তোমাৰ কৃপাত।

দেখা পালেঁ। অকস্মাত পঢ়োঁতে পঢ়োঁতে
উচুপি উঠিলা তুমি কান্দি,
মুগ্ধ হ'ল হিয়া মোৰ ব্যাকুল তৰাসে
ধৰিলো তোমাক আকোঁৱালি।

ভাগি গ'ল, উটি গ'ল শিষ্যৰ বান্ধোন
প্ৰেমে কৰে সকলোকে জয়,
সিদিনাৰপৰা মোৰ নতুন জগত
সিদিনাই শেষ মৃত্যু ভয়।

গভীৰ কৰ্ত্তব্য জ্ঞান কেনিবা পলাল
প্ৰাণত বাজিল প্ৰেম বাঁহী
নতুন বসন্ত হ'ল উদয় প্ৰাণত
তোমাৰ প্ৰেমত গলো ভাঁহি।

তাৰ পিছে অজানিতে কেনেবাকে প্ৰিয়ে
ব্যক্ত হ'ল এই সমাচাৰ
পৱিত্ৰ নিৰ্দ্দোষ এই প্ৰেমৰ কাহিনী
বুজ পালে পিতাৰে তোমাৰ।

সিদিনাই অন্ত হ'ল সুখৰ জীৱন
কিয় প্ৰাণ নগ'ল সিদিনা ?
ধৰি নি তোমাক হায় নিঠুৰ ভাৱেৰে
বন্দিনী কৰিলে প্ৰিয়তমা।

শেষ হ'ল কত কাল তাৰ পিছে আজি
আশ্ৰমত তুমি সন্ন্যাসিনী
( মই ) লক্ষ্যহাৰা লক্ষ ভ্ৰষ্ট বাতুল স্বৰূপ
জ্ঞান গৰ্ব্ব অতীত কাহিনী ।

অলপ শান্তনা পাওঁ শুনো যদি তুমি
ধৰ্ম্ম চৰ্চ্চি সুখে আছা বুলি ।

তুমি সুখী হ'লে সুখী, ময়ো সুখী হওঁ
নাই আন কামনা সমূলি ।
( তুমি ) জগতৰ সৌন্দৰ্য্যৰ সাৰ বস্তু যেন
ধনে মানে বৈভৱে অতুল,
নিচলা দৰিদ্ৰ এই পণ্ডিতৰ প্ৰতি
কিয় এনে আসক্তি ব্যাকুল ।

কত ৰজ ৰাজপুত্ৰ তোমাৰ কাৰণে
এতিয়াও প্ৰেমে দিশাহাৰা
পাহৰা অভাগাক অতীতৰ স্মৃতি
আঁতৰোৱা হৃদয়ৰপৰা ।

পোহৰোৱা দেৱকন্যা গুণে অতুলনা
ভাগ্যৱান ধনীৰ প্ৰাসাদ ।
পোহৰোৱা পিতৃকুল বঢ়াই সন্মান
ভোগ কৰা প্ৰাণৰ সোৱাদ ।

( মই ) নিহকিন শিক্ষা গুৰু থাকিম সততে
আশীৰ্ব্বাদি প্ৰভুৰ আগত
তোমাৰ সুখত মোৰ প্ৰাণে শান্তি পাব
বিয়াকুল তোমাৰ দুখত।
তুমি সুখে আছা দেৱী ইয়াকে জানিলে
নকৰোঁ যে মৃত্যুলৈকো ভয়।
নগ্ন শৰীৰত পালেঁ। কত অস্ত্ৰাঘাত
পুনু ল'ম আনন্দে নিশ্চয়;
পাহৰা, পাহৰা দেৱী, অতীতৰ ভাৱ
দুৰ্ভাগাৰ এটি অনুৰোধ
নহ'লে কতনো প্ৰিয়া, কন্দাবা, কান্দিবা
প্ৰাণে মোৰ নামানে প্ৰবোধ।

———

Printed by Progressive Publishers
at Mihir Press, Calcutta-7